**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 22-11-2025
**Time :** 18-45 HRS

***Assamese Evening Bulletin***
**-------------------**
**::::::::::::::::::::**

১।  মহিলা উদ্যমিতা আঁচনিৰ অধীনত অভয়াপুৰীত আত্মসহায়ক গোটৰ ২৩ হাজাৰ ৯৪৯ গৰাকী সদস্যাক চেক বিতৰণ ।

২।  মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বজালী জিলাৰ পাটাছাৰকুছিত ড° ভূপেন হাজৰিকাৰ এটা আৱক্ষ মূৰ্তি উন্মোচন।

৩।  অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মাৰ অধ্যক্ষতাত গঠন কৰা উচ্চস্তৰীয় সমিতিৰ প্ৰতিবেদন সন্দৰ্ভত মুখ্যমন্ত্ৰীৰে সৈতে সদৌ অসম ছাত্ৰ সন্থাৰ বৈঠক।

৪।  শিলচৰৰ পৰা হাফলঙ হৈ গুৱাহাটী ৰাষ্ট্ৰীয় ঘাইপথটো অহা জানুৱাৰী মাহৰ পৰা কাৰ্যক্ষম হ'ব বুলি মন্ত্ৰী কৌশিক ৰায়ৰ প্ৰকাশ। ***আৰু***

৫।  ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ গুৱাহাটীৰ দ্বিতীয় টেষ্টৰ আজি প্ৰথম দিনা দক্ষিণ আফ্ৰিকাৰ প্ৰথম ইনিংছত ৬ টা উইকেটৰ বিনিময়ত ২৪৭ ৰাণ সংগ্ৰহ।

০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি বঙাইগাঁও জিলাৰ অভয়াপুৰীত মহিলা উদ্যমিতা আঁচনিৰ অধীনত আত্মসহায়ক গোটৰ ২৩ হাজাৰ ৯৪৯ গৰাকী সদস্যাক ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰে। অভয়াপুৰীৰ অভয়েশ্বৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয় খেলপথাৰত এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ দি ড০ শৰ্মাই তেওঁৰ চৰকাৰে ৰাইজক দিয়া প্ৰতিশ্ৰুতিসমূহ পূৰণ কৰিছে বুলি মন্তব্য কৰে। বৰ্তমান ৰাজ্যখনৰ মহিলাসকল আত্মনিৰ্ভৰশীল হোৱাৰ বিষয়ে উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে অৰুণোদয় আঁচনিৰ জৰিয়তে মহিলাসকলৰ আত্মসন্মান বৃদ্ধি পাইছে। অনুষ্ঠানত মুখ্যমন্ত্ৰীগৰাকীয়ে বিদ্যালয়খনৰ প্ৰাঙ্গনত ৰাণী অভয়েশ্বৰীৰ এটি প্ৰতিমূৰ্তিও উন্মোচন কৰে। উল্লেখযোগ্য যে বিজনীৰ ৰাজপৰিয়ালৰ এগৰাকী প্ৰজাপ্ৰিয় ৰাণী অভয়েশ্বৰী দেৱীয়ে জনসাধাৰণৰ কল্যাণৰ বাবে নিজৰ জীৱন উচৰ্গা কৰিছিল। এইগৰাকী ৰাজমাতাৰ প্ৰতিমূৰ্তি উন্মোচন কৰিবলৈ পোৱাটো পৰম সৌভাগ্যৰ কথা বুলি ড০ শৰ্মাই উল্লেখ কৰে।

**বাইট**

০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি বজালী জিলাৰ পাটাছাৰকুছিৰ সুধাতীৰ্থত ভাৰতৰত্ন সন্মানেৰে বিভূষিত ড° ভূপেন হাজৰিকাৰ এটা আৱক্ষ মূৰ্তি উন্মোচন কৰে। কালদিয়া নৈৰ পাৰত সুধাকণ্ঠৰ এই দৃষ্টিনন্দন আৰু সুবৃহৎ প্ৰতিমুৰ্তিটো স্থাপন কৰাৰ বাবে ড° শৰ্মাই উদ্যোক্তাসকলৰ শলাগ লয়। পাটাছাৰকুছিত এটি ৰাজহুৱা প্ৰেক্ষাগৃহ নিৰ্মাণৰ বাবে দুই কোটি টকাৰ অনুদান আগবঢ়োৱা হ'ব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০

৬৭ সংখ্যক আকাশবাণী সংগীত সন্মিলন আজি গুৱাহাটীৰ কটন বিশ্ববিদ্যালয়ৰ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা প্ৰেক্ষাগৃহত অনুষ্ঠিত হৈছে। আকাশবাণী আৰু দূৰদৰ্শনৰ উত্তৰ পূৰ মণ্ডলৰ অতিৰিক্ত সঞ্চালক প্ৰধান সত্যজিত দাসে

এই অনুষ্ঠান উদ্বোধন কৰে। আকাশবাণীৰ এই অনুষ্ঠানে ভাৰতীয় লোকসংগীতৰ চহকী ঐতিহ্যক তুলি ধৰিব বুলি তেওঁ উদ্বোধনী ভাষণত উল্লেখ কৰে।

এই সন্মিলনত যশস্বী শিল্পী মনোজ বৰুৱাই বেহেলা বাদন আৰু গোৱালপৰীয়া লোকগীতৰ শিল্পী জবা চক্ৰৱৰ্তীয়ে লোকগীত পৰিবেশন কৰিব। ঐতিহ্যমণ্ডিত ভাৰতীয় সংগীতধাৰাক বিশেষকৈ শাস্ত্ৰীয় সংগীত, লঘু শাস্ত্ৰীয় আৰু লোকসংগীতৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে কেন্দ্ৰীয় সংস্কৃতি মন্ত্ৰালয়ে প্ৰচাৰ ভাৰতীৰ উদ্যোগত ১৯৫৪ চনৰে পৰা দেশৰ বিভিন্ন স্থানত আকাশবাণী সংগীত সন্মিলনৰ আয়োজন কৰি আহিছে। অনুষ্ঠান সন্দৰ্ভত আকাশবাণী গুৱাহাটীৰ অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ বিষয়া বন্তি বৰপূজাৰীয়ে এইদৰে কয়ঃ

**বাইট ঃ বন্তি বৰপূজাৰী**

০০০০

ৰাজ্য চৰকাৰৰ সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ সৌজন্যত আজি গোৱালপাৰা জিলা প্ৰশাসনে জিলাখনৰ মেঘালয় সীমান্তৱৰ্তী অঞ্চল বৰঝৰাত সীমান্ত ক্ৰীড়া আৰু সাংস্কৃতিক সমাৰোহ অনুষ্ঠিত কৰে। অসম আৰু মেঘালয় দুয়োখন ৰাজ্যৰ সীমান্তৱৰ্তী অঞ্চলত শান্তি-সম্প্ৰীতি অটুট ৰখা বন্ধুত্বসুলভ সামাজিক পৰিবেশ অক্ষুণ্ণ ৰখাৰ উদ্দেশ্যে এই ক্ৰীড়া আৰু সাংস্কৃতিক সমাৰোহৰ আয়োজন কৰা হৈছে। বৰঝৰা উচ্চ মাধ্যমিক বিদ্যালয় প্ৰাঙ্গনত আয়োজিত এই অনুষ্ঠানত দুয়োখন ৰাজ্যৰ সীমামূৰীয়া অঞ্চলসমূহৰ বাসিন্দাসকলে অংশগ্ৰহণ কৰে। বিভিন্ন খেল-ধেমালিৰ প্ৰতিযোগিতাৰে আজি পুৱা আৰম্ভ হোৱা ই অনুষ্ঠানত ৰাভা, গাৰো, গোৱালপৰীয়া আৰু বিহু নৃত্য আদিও প্ৰদৰ্শন কৰা হয়।

০০০০

অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মাৰ অধ্যক্ষতাত গঠন কৰা উচ্চস্তৰীয় সমিতিৰ প্ৰতিবেদন কাৰ্যকৰীকৰণ সন্দৰ্ভত আজি মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত ৰাজ্য চৰকাৰ আৰু সদৌ অসম ছাত্ৰ সন্থাৰ মাজত আলোচনা অনুষ্ঠিত হৈছে। দিছপুৰৰ লোকসেৱা ভৱনৰ মুখ্যমন্ত্ৰী কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এই আলোচনাত সদৌ অসম ছাত্ৰ সন্থাৰ উপদেষ্টা ড০ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যকে ধৰি কেইবাজনো জ্যেষ্ঠ নেতাই অংশগ্ৰহণ কৰিছে।

ইপিনে, অসম চুক্তি ৰূপায়ণ মন্ত্ৰী অতুল বৰাই কালি এই সন্দৰ্ভত জনতাভৱনৰ অসম চুক্তি ৰূপায়ণ বিভাগৰ উচ্চ পদস্থ বিষয়াসমূহৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত দাখিল কৰিবলগীয়া প্ৰতিবেদনৰ সৈতে জড়িত বিভিন্ন বিষয় আৰু বিভাগীয় অন্যান্য গুৰুত্বপূৰ্ণ বিষয় সন্দৰ্ভত পৰ্যালোচনা কৰা হয়।

০০০০

হোজাই বিহুতলী ৰাজহুৱা খেলপথাৰত ভাৰতীয় জনতা পাৰ্টীৰ আজি বিশেষ সাংগঠনিক সভা অনুষ্ঠিত হয়। দলটোৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াৰ লগতে সাংসদ কামাখ্যা প্ৰসাদ তাছা, বিধায়কদ্বয় ৰামকৃষ্ণ ঘোষ আৰু শিবু মিশ্ৰকে ধৰি দলৰ কেইবাজনো জ্যেষ্ঠ নেতা সভাত উপস্থিত থাকে। সমাগত বিধানসভা নিৰ্বাচনত বিজেপি দলে ১২৬ খন আসনতে প্ৰতিদ্বন্দ্বিতা কৰিব আৰু মিত্ৰদলৰ লগত আলোচনা কৰি কোন সমষ্টিত কাক প্ৰাৰ্থী হিচাপে নিক্ষেপ কৰিব তাৰ সিদ্ধান্ত লব বুলি দলৰ সভাপতি দিলীপ শইকীয়াই জানিবলৈ দিয়ে।

**বাইট ঃ দিলীপ শইকীয়া**

০০০০

ডিব্ৰুগড় জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক ড০ সমীৰণ বৰাই সদ্যনিযুক্তিপ্ৰাপ্ত স্নাতক আৰু স্নাতকোত্তৰ শিক্ষকসকলৰ নিযুক্তিৰ স্থান সম্পূৰ্ণ চৰকাৰী নীতি নিৰ্দেশনা অনুসৰি চূড়ান্ত কৰা হ'ব বুলি এখন জাননীযোগে প্ৰকাশ কৰিছে। এই ক্ষেত্ৰত যদি প্ৰাৰ্থীসকলক কোনো অসাধু ব্যক্তিয়ে অনানুষ্ঠানিকভাৱে যোগাযোগ কৰে তেন্তে সেই ব্যক্তিজনৰ বিষয়ে মুখ্যমন্ত্ৰী বিশেষ তদাৰকী গোট, উৰ্ধতন কৰ্তৃপক্ষ বা বিদ্যালয়সমূহৰ পৰিদৰ্শকক তাৎক্ষণিকভাৱে অৱগত কৰিবলৈ এই জাননীযোগে আহ্বান জনোৱা হৈছে।

০০০০

ধুবুৰীৰ ঐতিহ্যমণ্ডিত গুৰুদ্বাৰ গুৰু টেগ বাহাদুৰ চাহিবজীত কাইলৈৰ পৰা ২৫ নৱেম্বৰলৈকে ৩ দিনীয়া কাৰ্যসূচীৰে শিখ ধৰ্মাৱলম্বি লোকসকলৰ নৱম গুৰু শ্ৰীগুৰু টেগ বাহাদুৰ চাহিবজীৰ ৩৫০ সংখ্যক ছহিদ দিৱস পালন কৰা হ'ব। এই দিৱস উপলক্ষে ভাৰতীয় ৰে'ল বিভাগে যাত্ৰীৰ সুবিধা হোৱাকৈ ডিব্ৰুগড়-ধুবুৰী, ৰায়পুৰ-ধুবুৰী আৰু কলকাতা-ধুবুৰীৰ মাজত তিনিখন বিশেষ ৰে'লৰ ব্যৱস্থা কৰা বুলি ৰে'ল বিভাগৰ তথ্যই সদৰি কৰিছে।

০০০০

শোণিতপুৰ জিলাৰ শিঙৰিৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰী গুপ্তেশ্বৰ দেৱালয়ত কাইলৈৰ পৰা সাতদিনীয়া কাৰ্যসূচীৰে অতি ৰুদ্ৰ মহাযজ্ঞৰ আয়োজন কৰা হৈছে। দক্ষিণ ভাৰতৰ পৰম্পৰাগত বৈদিক ৰীতি-নীতি অনুসৰি যজ্ঞ সম্পন্ন কৰাৰ উদ্দেশ্যে ২০০গৰাকীৰো অধিক পুৰোহিত ইতিমধ্যে দেৱালয়খনত উপস্থিত হৈছে।

০০০০

দক্ষিণ বৰপেটা বিদ্যামন্দিৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তী আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে। ইয়াৰ সৈতে সংগতি ৰাখি আজি পৰিৱেশ নিকাকৰণ, পতাকা উত্তোলন, শ্ৰদ্ধাঞ্জলি নিবেদন আদিৰ লগতে বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। বিদ্যালয়খন প্ৰতিষ্ঠাৰ ৭৫ বছৰৰ সৈতে সংগতি ৰাখি আজি ৭৫খন পতাকাও উত্তোলন কৰা হয়।

০০০০

ডিব্ৰুগড় জিলাৰ প্ৰতিখন থানা আৰু উপ-আৰক্ষী চকীৰ অন্তৰ্গত এলেকাসমূহত অবৈধ সুৰাৰ বিৰুদ্ধে অভিযান চলাই কেইবাজনো লোকক আৰক্ষী প্ৰশাসনে আটক কৰিছে। মৰাণ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ডাণ্টেজিৎ দেউৰীৰ নেতৃত্বত মৰাণ, ধেমেচী, চপলিয়া অঞ্চলৰ পৰা বহু পৰিমাণৰ বিদেশী সুৰা জব্দ কৰাৰ লগতে এজন লোকক কৰায়ত্ত কৰে।

০০০০০

শিলচৰৰ পৰা হাফলং হৈ গুৱাহাটীলৈ যোৱা ৰাষ্ট্ৰীয় ঘাইপথটো অহা জানুৱাৰী মাহৰ পৰা কাৰ্যক্ষম হ'ব। খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী কৌশিক ৰায়ে আজি এই কথা প্ৰকাশ কৰে। এই ঘাইপথটোৱে শিলচৰ-গুৱাহাটী যাত্ৰা সুচল আৰু ক্ষিপ্ৰ কৰি তুলিব বুলিও মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। আজি মন্ত্ৰীগৰাকীয়ে হাৰাংগাজাওৰ পৰা জাতিঙ্গালৈ যোৱা পথটোৰ নিৰ্মাণ কাৰ্যও পৰিদৰ্শন কৰে। সাংবাদিকৰ আগত মন্ত্ৰীগৰাকীয়ে কয় যে হাৰাংগাজাওৰ পৰা নিৰিমবাংলোলৈ ৪৯ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথ নিৰ্মাণৰ কাম দ্ৰুতগতিত আগবাঢ়িছে। পৰিকল্পনা অনুসৰি কিছু অংশত চাৰিটা লেন আৰু কিছু অংশত দুটা লেন থকা কৰিড'ৰ মুকলি কৰা হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নিৰীক্ষণত থকাৰ বাবে নিৰ্ধাৰিত সময়ৰ ভিতৰত পথটোৰ কাম সম্পন্ন হ'ব বুলিও মন্ত্ৰী দাসে প্ৰকাশ কৰে। আজিৰ এই পৰিদৰ্শনৰ সময়ত ৰাজ্যসভাৰ সাংসদ কনাড পুৰকায়স্থ, বিধায়ক মিহিৰকান্তি সোম, নিহাৰ ৰঞ্জন দাসকে ধৰি ডিমা হাছাও জিলাৰ উপায়ুক্ত, আৰক্ষী অধীক্ষক আদিও উপস্থিত থাকে।

০০০০০

আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ মৰিগাওঁ জিলা সমিতিৰ উদ্যোগত আজি মৰিগাওঁ শিক্ষণ মহাবিদ্যালয়ত এখন জিলা ভিত্তিক বিজ্ঞান প্ৰতিযোগিতা অনুষ্ঠিত হয়। অসম বিজ্ঞান প্ৰযুক্তি আৰু পৰিবেশ পৰিষদৰ অধ্যক্ষ বিশিষ্ট বিজ্ঞানী ডং বিমান বৰুৱাই প্ৰতিযোগিতাখন উদ্বোধন কৰি কয়, যে ছাত্ৰ-ছাত্ৰীৰ মাজত কৃত্ৰিম বুদ্ধিমত্তা ৰ'ব'টিক শিক্ষাৰ ওপৰত গুৰুত্ব দিয়া প্ৰয়োজন। অনুষ্ঠানত ডং বৰুৱাই কেন্দ্ৰৰ বাৰ্ষিক পত্ৰিকা এখনো উন্মোচন কৰে। প্ৰতিযোগিতাখনত বিজ্ঞানৰ বিভিন্ন আৰ্হি প্ৰদৰ্শন কৰা হয়।

০০০০০

সাম্প্ৰতিক সময়ত মাতৃভাষা মাধ্যমত অধ্যয়ন কৰা পৰীক্ষাৰ্থীয়ে প্ৰতিযোগিতামূলক পৰীক্ষাত সফলতা লাভ কৰাত অন্তৰায়ৰ সৃষ্টি হৈছে নেকি ? বৰ্তমান সময়ত ৰাজ্যৰ প্ৰতিযোগিতামূলক পৰীক্ষাৰ পৰিৱেশ কেনে ? এনে কেইবাটাও প্ৰশ্নৰ উত্তৰ বিচাৰি বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত প্ৰচাৰ কৰিব এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান। এই অনুষ্ঠানত অসম লোকসেৱা আয়োগৰ প্ৰাক্তন সদস্য আনিছ-উজ জামান, অধিবক্তা তথা সমাজকৰ্মী কৈলাশ চন্দ্ৰ শৰ্মা আৰু জ্যেষ্ঠ সাংবাদিক জিতুমণি বৰাই অংশগ্ৰহণ কৰিব। অনুষ্ঠানটোৰ পৰিকল্পনা আৰু প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ মহাবাহু শাখাৰ ১০ কিলোৱাট শক্তিসম্পন্ন এফ এম ট্ৰান্সমিটাৰটোৰ জৰুৰী মেৰামতিৰ বাবে সাময়িকভাৱে ইয়াৰ প্ৰচাৰণ বন্ধ ৰখা হৈছে। বিকল্প ব্যৱস্থা হিচাপে বৰ্তমান এশ ৱাট শক্তিসম্পন্ন আন এটা ট্ৰান্সমিটাৰৰ পৰা এফ এম ম'ডত অনুষ্ঠান সূচী প্ৰচাৰ কৰি থকা হৈছে। গুৱাহাটীৰ নৰকাসুৰ পাহাৰত থকা আকাশবাণী আৰু গুৱাহাটীৰ আটাইকেইটা ব্যক্তিগত এফ এম ট্ৰান্সমিটাৰৰ এণ্টেনা উন্নীতকৰণৰ বাবে অহা ২৪ নৱেম্বৰৰ পৰা ২৭ নৱেম্বৰলৈ মাজনিশা ১২ বজাৰ পৰা পুৱা ৬ বজালৈ প্ৰচাৰণ বন্ধ কৰা হ'ব। ২৮ নৱেম্বৰৰ পৰা গুৱাহাটী আৰু ইয়াৰ ওচৰ-পাজৰৰ শ্ৰোতাসকলে সকলো এফ এম কেন্দ্ৰৰ অনুষ্ঠানসমূহ এতিয়াতকৈ অধিক শক্তিশালী ৰূপত শুনিব পাৰিব বুলি আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ অভিযান্ত্ৰিক শাখাৰ উপ-সঞ্চালক প্ৰধানে জনাইছে।

০০০০০

দক্ষিণ আফ্ৰিকাই ভাৰতৰ বিৰুদ্ধে গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত অনুষ্ঠিত ক্ৰিকেট শৃংখলাৰ দ্বিতীয় তথা অন্তিমখন টেষ্টৰ আজি প্ৰথম দিনৰ খেলৰ সামৰণি পৰলৈকে প্ৰথম ইনিংছত ছটা উইকেটৰ বিনিময়ত ২৪৭ ৰান সংগ্ৰহ কৰে। ইয়াৰ পূৰ্বে দক্ষিণ আফ্ৰিকাই টছট জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লয়। দক্ষিণ আফ্ৰিকাৰ হৈ ট্ৰিষ্টান ষ্টাবছে সৰ্বাধিক ৪৯ ৰান কৰে। ভাৰতৰ হৈ কুলদীপ যাদৱে তিনিটা উইকেট দখল কৰে। যশপ্ৰীত বুমৰা, মহম্মদ ছিৰাজ আৰু ৰবীন্দ্ৰ জাদেজাই এটাকৈ উইকেট লাভ কৰে। ডিঙিৰ আঘাতৰ বাবে দ্বিতীয় টেষ্টৰ পৰা বাদ পৰা ভাৰতীয় দলৰ অধিনায়ক শুভমন গীলৰ স্থানত ঋষভ পণ্টে দলক নেতৃত্ব দিছে। দক্ষিণ আফ্ৰিকা সম্প্ৰতি শৃংখলাত ১-০ ফলাফলত আগবাঢ়ি আছে।০

০০০০০

সমাপ্ত